

সপ্তম শ্রেণীৰ পাঠ্যপুথি

সমাজ বিজ্ঞান

(দ্বিতীয় ভাগ)

ভূগোল

পাঠ - ৭

অসমৰ সম্পদ

অংশ – ৪

জ্যোতি দাস

শিকনৰ ফলাফল

- অসমৰ জলজ সম্পদৰ বিষয়ে জানিম ।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

জলসম্পদ (Water Resources)

- পানী এক মূল্যৱান সম্পদ।
- উদ্ভিদ আৰু প্ৰাণী উভয়ৰে বাবে পানী অতি প্ৰয়োজনীয়।
- মানুহে পানী খোৱা আৰু ঘৰুৱা বিভিন্ন কামত ব্যৱহাৰ কৰে।
- ইয়াৰ উপৰিও পানী জলসিঞ্চন, মীনপালন, পশুপালন আৰু বিভিন্ন উদ্যোগিক কামত ব্যৱহাৰ কৰা হয়।

- অসম ভূগর্ভ জল আৰু ভূপৃষ্ঠ পানী দুয়োটাৰে চহকী।
- অসমৰ নদী, উপনৈ আৰু জলাশয়সমূহে পৃষ্ঠীয় পানীৰ জলাশয় গঠন কৰে।
- বাৰিষা ৰতাহৰ প্ৰভাৱৰ বাবে অসমত বছৰি 100 চে.মি.ৰ পৰা 200 চে.মি.অসমৰ মুঠ বৰষুণৰ প্ৰায় 90% জুনৰ পৰা অক্টোবৰৰ ভিতৰত হয়।
- এই বৰষুণৰ ওপৰত নির্ভৰ কৰি কৃষকসকলে ৰাজ্যখনত বিভিন্ন ধৰণৰ খাৰিফ শস্যৰ খেতি কৰে।


समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- অসংখ্য নদী আৰু উপনৈৰ বাবে অসমক নদীৰ ভূমি বুলি জনা যায়।
- ব্ৰহ্মপুত্ৰ আৰু বৰাক অসমৰ প্ৰধান নদী দুখন।
- ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰ পাৰৰ উপনৈসমূহ হৈছে সোৱনশিৰি, জিয়া ভৰালী, জিয়া ধনশিৰি, পুঠিমাৰী, পাগলাদিয়া, মানস আৰু চম্পাৱতী।

ব্রহ্মপুত্র

- দক্ষিণ পাৰৰ উপনৈসমূহ হৈছে বুঢ়ী দিহিং।
- দিখৌ, ধনশিৰি, কপিলী, দুধনৈ আৰু কৃষ্ণাই।বৰাক নদীত পৰা উপনৈসমূহ হ'ল জিৰি, জাটিংগা সোণাই, ধলেশ্বৰী ইত্যাদি।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- ব্ৰহ্মপুত্ৰ, বৰাক আৰু ইয়াৰ উপনৈসমূহ বাৰিষাকালত বৰষুণৰ পানীৰে উপচি পৰে।
- আনহাতে, উত্তৰ পাৰৰ কেইখনমান উপনৈয়ে হিমালয়ৰপৰা পোৱা বৰফগলিত পানী ব্ৰহ্মপুত্ৰলৈ কঢ়িয়াই আনে।
- নদীৰ বুকুত ওফন্দি উঠা পানীভাগে নৈৰ দাঁতিকাষৰীয়া অঞ্চলত বানপানীৰ সৃষ্টি কৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- ইয়াৰ উপৰি ঠায়ে ঠায়ে নিম্নভূমি অঞ্চলত বৰষুণৰ পানী জমা হৈ বাৰিষা কালত জলমগ্ন হৈ পৰে।
- এনেবোৰ সমস্যাৰ উপশম ঘটাবলৈ অসমত বৈজ্ঞানিক ভিত্তিত এক প্ৰবাহমান জল পৰিচালনা আঁচনিৰ (Running Water Management Scheme) প্ৰয়োজন।

- এই জলৰাশিয়ে অসমৰ ভূমিভাগক জীপাল কৰি ৰখাৰ লগতে ইয়াৰ বাসিন্দাসকলৰ ব্যৱহাৰৰ বাবে পানী যোগান ধৰে।
- পৰিবহণৰ ক্ষেত্ৰত ব্ৰহ্মপুত্ৰ আৰু বৰাক নৈয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।
- ডিব্ৰুগড়ৰপৰা বাংলাদেশ হৈ কলকাতালৈ জাহাজ পৰিবহণৰ ব্যৱস্থা আছে।

- এই পথেৰে গধুৰ যন্ত্রপাতি আৰু অন্যান্য সামগ্রী কঢ়িওৱা হয়।
- পাণ্ডু আৰু ধুবুৰী হ'ল ব্রহ্মপুত্রৰ প্রধান বন্দৰ।
- ইয়াৰ উপৰি পলাশবাৰী, খাৰুপেটীয়া, তেজপুৰ, বিশ্বনাথ ঘাট, নিমাতীঘাট আদি ব্রহ্মপুত্রৰ উল্লেখযোগ্য জাহাজঘাট।

- অসমৰ নৈ-উপনৈসমূহত বান্ধ দি জলবিদ্যুৎ উৎপাদন কৰাৰ প্ৰচুৰ সম্ভাৱনীয়তা আছে।
- ভাৰতৰ জলবিদ্যুৎ উৎপাদনৰ মুঠ সম্ভাৱনীয়তাৰ ২৮ শতাংশ অসমতে আছে।
- বৰ্তমানলৈ কপিলী, কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্পৰ জৰিয়তে অতি সামান্য পৰিমাণৰ বিদ্যুৎ শক্তি উৎপাদন কৰা হৈছে।

- এইবোৰে আমাৰ চাহিদা পূৰণ কৰিব পৰা নাই।
- বৰ্তমানে নতুন নতুন জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণৰ কাম চলি আছে।
- অৰণ্যে মনত ৰখা দৰকাৰ যাতে এনে প্ৰকল্পৰ নিৰ্মাণে পৰিৱেশৰ ওপৰত বেয়া প্ৰভাৱ নেপেলায়।
- অসমৰ জিলাসমূহত খাল, বিল আদি বহুতো জলাশয় আছে।

- এই জলাশয়সমূহেও বিভিন্ন প্রকাৰৰ জলজ উদ্ভিদ আৰু প্ৰাণীৰ বাসস্থান হিচাপে এক সুকীয়া পৰিৱেশৰ সৃষ্টি কৰিছে।
- পৰিৱেশ সুস্থিৰ কৰি ৰখাৰ উপৰি জলাশয়সমূহে কিছু পৰিমাণে মাছৰ চাহিদা পূৰণ কৰি আহিছে।


- অসমত পোৱা কেইবিধমান মাছে আলংকাৰিক মাছ হিচাপে বিদেশৰ বজাৰত আদৰ পাইছে।
- অসমৰ নৈ-উপনৈ আৰু জলাশয়সমূহত কিছু বছৰ আগলৈ প্ৰচুৰ পৰিমাণে মাছ পোৱা গৈছিল যদিও সম্প্ৰতি মাছৰ সংখ্যা দ্ৰুতভাৱে কমি আহিছে।

- মানুহে যধে-মধে মাছ ধৰা, জলাশয় দখল কৰি খেতি-বাতি কৰা, ঘৰ সজা, জাবৰ-জোথৰ পেলোৱা আদিয়েই ইয়াৰ মূল কাৰণ।
- তদুপৰি এনেবোৰ কার্যই জলাশয়ৰ পৰিমাণো কমাই আনিছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation


- পৰিৱেশ সুস্থিৰ কৰি ৰখাৰ স্বাৰ্থত এই জলাশয়বোৰৰ সংৰক্ষণ অতি প্ৰয়োজন।
- অসমৰ ব্ৰহ্মপুত্ৰ নদীৰ উপৰি কিছুসংখ্যক জলাশয়ৰপৰা পানী বিশুদ্ধ কৰি জনসাধাৰণৰ বাবে খোৱা পানীৰ যোগান ধৰা হৈছে।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- অসমৰ বিলসমূহৰ প্ৰাকৃতিক সৌন্দৰ্য আৰু তালৈ অহা পৰিভ্ৰমী পক্ষীক কেন্দ্ৰ কৰি সেই স্থানসমূহত পৰিৱেশ পৰ্যটন (Eco-Tourism) উদ্যোগ গঢ়ি তোলাৰ প্ৰচুৰ সম্ভাৱনীয়তা আছে।





- অসমৰ জলাশয় যেনে- দীপৰ বিল, চানডুবি বিল, পানী দিহিং, মাগুৰী বিল আদি বৰ্তমান সময়ত পৰ্যটনৰ বিশেষ কেন্দ্ৰ হিচাপে গঢ় লৈ উঠিছে।
- এই জলাশয়বোৰ বিভিন্ন পৰিভ্ৰমী চৰাইৰ বিচৰণভূমি।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- ভুগর্ভ জলৰ ক্ষেত্রতো অসম সমৃদ্ধ। অসমৰ ভূগর্ভত সঞ্চিত পানী মানুহে খোৱাপানী, জলসিঞ্চন আৰু ঔদ্যোগিক কাম-কাজত ব্যৱহাৰ কৰে। অসমৰ ভূগর্ভৰ পানী কৃষি কার্যতো ব্যৱহাৰ কৰা হয়।

মূল্যায়ন





1 | জীয়া ভৰালী ব্ৰহ্মপুত্ৰ নদীৰ উপনৈ।

মূল্যায়ন

Under CSR Support by
ipca | Foundation






1 | জীয়া ভৰালী ব্ৰহ্মপুত্ৰ নদীৰ উপনৈ।

মূল্যায়ন






2 পাণ্ডু আৰু ধুবুৰী হ'ল ব্ৰহ্মপুত্ৰৰ প্ৰধান বন্দৰ।

ক শুদ্ধ

খ অশুদ্ধ

মূল্যায়ন





3 দীপৰ বিল এটা -

ক জলাশয়

খ নদী